# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 16-08-2025
**Time :** 1340 hrs

## ASSAMESE MIDDAY BULLETIN
## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱন চৌহদত গুলঞ্চ বাগিচা, বট বৃক্ষ নিকুঞ্জ আৰু কল্লোলিত নিজৰা উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত প্ৰায় ১১ হাজাৰ কোটি টকাৰ ব্যয়সাপেক্ষ দুটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰিব।

৩। প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি সমগ্ৰ ৰাষ্ট্ৰই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

৪। জন্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ ডাৱৰ বিস্ফোৰণ প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান পূৰ্ণ গতিত চলি আছে।

*আৰু*

৫। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি  আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে আলাস্কাত অনুষ্ঠিত আলোচনাত ইউক্ৰেইনৰ যুদ্ধৰ অৱসানৰ সমাধানসূত্ৰৰ কাষ চাপি যোৱা বুলি প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱন চৌহদত গুলঞ্চ বাগিচা, বট বৃক্ষ নিকুঞ্জ আৰু কল্লোলিত নিজৰা উদ্বোধন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতি মুৰ্মুৱে গুলঞ্চ বাগিচা, বট বৃক্ষ নিকুঞ্জ আৰু কল্লোলিত নিজৰা অমৃত উদ্যানত সংযোজিত হোৱা বুলি প্ৰকাশ কৰে। অমৃত উদ্যান ১৪ ছেপ্তেম্বৰলৈ সাধাৰণ ৰাইজৰ বাবে খোলা থাকিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত প্ৰায় ১১ হাজাৰ কোটি টকাৰ ব্যয়সাপেক্ষ দুটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰিব। এই প্ৰকল্পৰ ভিতৰত দ্বাৰকা এক্সপ্ৰেছৱে'ৰ দিল্লী খণ্ড আৰু নগৰ সম্প্ৰসাৰণ পথৰ দ্বিতীয় পৰ্যায় আছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিযোগে কৈছে যে যোগাযোগ উন্নত কৰা, যাত্ৰাৰ সময় হ্ৰাস কৰা আৰু দিল্লী আৰু ইয়াৰ আশ-পাশত এলেকাসমূহত যান-জঁট হ্ৰাস কৰাৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা সৰ্বাত্মক পৰিকল্পনাৰ অধীনত এই প্ৰকল্প দুটা বিকশাই তোলা হৈছে। প্ৰকল্প দুটা উদ্বোধনৰ লগত সংগতি ৰাখি শ্ৰীমোদীয়ে এটা সমাবেশতো ভাষণ দিব।

০০০০০

২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে । উত্তৰ গুৱাহাটীত আজি দুখনকৈ উন্নত মানৰ ক্ৰীড়া একাডেমী মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই একাডেমী দুখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আহিব। ড০

শৰ্মাই কয় যে বিশ্বমানৰ খেলুৱৈ সৃষ্টি কৰিবলৈ হ'লে খেলুৱৈসকলৰ বাবে বিশ্বমানৰ সা-সুবিধা সৃষ্টি কৰিব লাগিব আৰু অসমত এনে প্ৰচেষ্টা চলি আছে। ৰাজ্যৰ প্ৰতিখন জিলাতে ক্ৰীড়াৰ অনুশীলনৰ বাবে উত্তম আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে আৰু প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৪০ বিঘা ভূমিত নিৰ্মাণ কৰা অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাৱৰ ফুটবল একাডেমী দুখনত হোষ্টেল, জিম, পেভিলিয়ন, ইনড'ৰ ষ্টেডিয়াম আৰু খেলপথাৰকে ধৰি সকলো ধৰণৰ সা-সুবিধা আছে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকে।

০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি সমগ্ৰ ৰাষ্ট্ৰই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। প্ৰসিদ্ধ নেতাগৰাকীয়ে ২০১৮ চনত শেষ নিশ্বাস ত্যাগ কৰিছিল। অটল বিহাৰী বাজপেয়ীয়ে তিনিবাৰকৈ প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰিছিল। ১৯৯৬ চনত তেওঁ প্ৰথম বাৰ মাত্ৰ ১৩ দিনৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। ইয়াৰ পাছত ১৯৯৮ৰ পৰা ১৯৯৯লৈ ১১ মাহৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ দায়িত্ব আছিল। প্ৰয়াত বাজপেয়ী ১৯৯৯ চনৰ পৰা ২০০৪ চনলৈ পূৰ্ণ কালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁক ২০১৫ চনত দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে বিভূষিত কৰা হৈছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা তেওঁৰ স্মৃতিসৌধ **সদৈৱ অটলত** প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেণ ৰিজিজু, গজেন্দ্ৰ সিং শেখাৱট, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি ভালেমান গণ্যমান্য ব্যক্তিয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানত উপস্থিত থাকি সু-শাসনৰ প্ৰতিভু প্ৰয়াত বাজপেয়ীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ ডাৱৰ বিস্ফোৰণ প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান পূৰ্ণ গতিত চলি আছে। সেনবাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু স্থানীয় প্ৰশাসনে উদ্ধাৰ অভিযানত সহায় কৰিছে। জম্মু আৰু উধমপুৰত প্ৰয়োজন সাপেক্ষে উদ্ধাৰ অভিযানত ব্যৱহাৰ কৰিব পৰাকৈ এম আই চেভেণ্টিন শ্ৰেণীৰ দুখন হেলিকপ্তাৰ আৰু এখন লঘু হেলিকপ্তাৰ সাজু কৰি ৰখা হৈছে। কিস্তৱাৰ জিলাৰ পাড্ডাৰ অঞ্চলত ডাৱৰ বিস্ফোৰণৰ বাবে হোৱা আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬০ লৈ বৃদ্ধি পাইছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে এই দুৰ্ঘটনাত ১০০ জনৰো অধিক লোক আহত হৈছে। অঞ্চলটোত বহুসংখ্যক লোক এতিয়াও সন্ধানহীন হৈ আছে। অঞ্চলটোত মাটি আৰু ধবংসস্তূপৰ মাজত বন্দী হৈ ৰোৱা বহু সংখ্যক লোকৰ মৃত্যু হোৱাৰ আশংকা কৰা হৈছে। ডাৱৰ বিস্ফোৰণৰ পৰিপ্ৰেক্ষিতত বাৰ্ষিক মাছাইল মাতা যাত্ৰা বাতিল কৰা হৈছে।

জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই আজি আকস্মিক বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে চিচোটি অঞ্চল পৰিদৰ্শন কৰে। তেওঁ স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে আৰু ক্ষয়-ক্ষতি তথা প্ৰভাৱিত এলেকাৰ প্ৰত্যাহ্বানৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীক সেনাবাহিনীৰ এগৰাকী জ্যেষ্ঠ বিষয়াই উদ্ধাৰ আৰু সাহায্য অভিযনৰ বিষয়ে অৱগত কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতে টেলিফোনযোগে কথা পাতে আৰু কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সম্ভাব্য সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। আলোচনা কালত প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতিৰ বুজ লৈ সাহায্য আৰু পুনৰ্বাসন ব্যৱস্থা দ্ৰুততৰ কৰি তুলিবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙেও কালি বিয়লি চিচোটি অঞ্চল পৰিদৰ্শন কৰে আৰু পৰিস্থিতি মূল্যায়ন কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে আলাস্কাত অনুষ্ঠিত প্ৰায় তিনি ঘণ্টাজোৰা আলোচনাত ইউক্ৰেইনৰ যুদ্ধৰ অৱসানৰ সমাধানসূত্ৰৰ কাষ চাপি যোৱা বুলি প্ৰকাশ কৰিছে। দুয়োপক্ষই অৱশ্যে ততালিকে যুদ্ধবিৰতি সন্দৰ্ভত কোনো ঘোষণা কৰা নাই। শ্ৰীট্ৰাম্পে এখন সংবাদ মেলত ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে হোৱা বৈঠকখন ফলপ্ৰসূ হোৱা বুলি অভিহিত কৰে। তেওঁ কয় যে বৈঠকত কেইবাটাও বিষয়ত ঐক্যমত্যত উপনীত হব পৰা গৈছে যদিও এতিয়ালৈকে কোনো সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। শ্ৰীট্ৰাম্পে শান্তি চুক্তি সন্দৰ্ভত কয় যে বৈঠক অতিকে ফলপ্ৰসূ আছিল আৰু এতিয়া ইয়াক আগবঢ়াই লৈ যোৱাটো ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ ওপৰত নিৰ্ভৰ কৰিব।

আলোচনাৰ অন্তত আয়োজিত সংবাদ মেলত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে কয় যে এই পথ অনুসৰণ কৰি শীঘ্ৰেই ইউক্ৰেইনৰ সংঘৰ্ষৰ সমাপ্তিত উপনীত হ'ব পৰা যাব বুলি বিশ্বাস কৰাৰ থল আছে। তেওঁ কয় যে ৰাছিয়াই সংঘৰ্ষৰ প্ৰাথমিক কাৰণসমূহ দূৰ কৰিব লাগিব। তেওঁ লগতে ইউক্ৰেইন আৰু ইউৰোপে আলোচনাত বাধাৰ সৃষ্টি কৰা উচিত নহয় বুলি সকিয়াই দিয়ে। ইউক্ৰেইনৰ পৰিস্থিতিত ৰাছিয়াৰ সুৰক্ষাৰ বাবে ভাবুকি বুলি অভিহিত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সংঘৰ্ষ পৰিহাৰ কৰি আলোচনাৰ দিশে আগবঢ়াৰ সময় আহি পৰিছে। তেওঁ লগতে ২০২২ চনত শ্ৰীট্ৰাম্প আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈ থাকিলে ইউক্ৰেইনৰ যুদ্ধ হবলৈ নাপালেহেঁতেন বুলিও মন্তব্য কৰে। শ্ৰীপুটিনে মস্কোত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে পৰৱৰ্তী আলোচনাৰ বাবে নতুন ঠাই সুনিশ্চিত কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। ইপিনে ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে কৈছে যে যুদ্ধবিৰতি হ'লে ব্ৰিটেইন আৰু সহযোগী দেশসমূহে ইউক্ৰেইনৰ সুৰক্ষাৰ বাবে দেশখনলৈ সেনা প্ৰেৰণ কৰিবলৈ সাজু আছে।

ooooo

দেশৰ বিভিন্ন অংশত আজি ভগৱান শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধান মন্ত্ৰী জন্মাষ্টমী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ভগৱান শ্ৰীকৃষ্ণই  মানৱ জাতিক সকলোৰে কল্যাণৰ বাবে নিষ্ঠাবান হৈ সঠিক পথ অনুসৰি কিদৰে কৰ্তব্য সম্পাদন কৰিব পাৰি তাৰ সন্ধান দিছে। শ্ৰীমতী মুৰ্মুৱে লগতে ভগৱান শ্ৰীকৃষ্ণই দেখুৱাই যোৱা পথ অনুসৰণ কৰিবলৈ আৰু সমাজ তথা ৰাষ্ট্ৰৰ সুদৃঢ়কৰণৰ বাবে কাম কৰিবলৈ নাগৰিকসকলক আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী মোদীয়ে এটা বাৰ্তাযোগে  বিশ্বাস আনন্দ আৰু উৎসাহৰ পৱিত্ৰ উৎসৱ জন্মাষ্টমীয়ে জনসাধাৰণৰ জীৱনত নতুন উৎসাহ উদ্দীপনাৰ সঞ্চাৰ কৰিব বুলি আশা কৰিছে।

দেশৰ ঠাইবিশেষে আজি জন্মাষ্টমী পালন কৰা হৈছে যদিও অসমত পুৰণি পৰম্পৰা অনুযায়ী ভাদ মাহতহে জন্মাষ্টমী উদযাপন কৰা হ'ব।

ooooo

দক্ষিণ কোৰিয়াই এপ্ৰিলত সংঘটিত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়াৰ বাবে বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে দেশখনৰ বিদেশ মন্ত্ৰী শ্বঁ য়ানৰ শলাগ লৈছে। নতুন দিল্লীত আজি শ্ৰীয়ানৰ সৈতে হোৱা আলোচনাৰ আৰম্ভণিতে ড০ জয়শংকৰে কোৰিয়াৰ ৰাষ্ট্ৰীয় স্বাধীনতা দিৱস উপলক্ষে অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীক ওলগ জনায়। দুয়োগৰাকী বিদেশ মন্ত্ৰী মাজত হোৱা আলোচনাত প্ৰতিৰক্ষা, সুৰক্ষা, ব্যৱসায়, অৰ্থনীতি, যোগাযোগ আৰু জনসম্পৰ্কক ধৰি বিভিন্ন বিষয়ে স্থান লাভ কৰে।

০০০০০

সমাপ্ত